# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰীঃ

সদৌ ওড়িশা বৈদ্যুতিক কৰ্মী সন্থা

বনাম

উত্তৰদাতা

উৰিষ্যা চৰকাৰ আৰু অন্যান্য

বিচাৰৰ তাৰিখঃ ২০/০৯/১৯৯৬

বিচাৰপীঠ

কে. ৰামস্বামী, জি. বি. পট্টানাইক

আইনঃ

শীৰ্ষটোকা

বিচাৰঃ

আদেশ

আবেদনকাৰীৰ হৈ জ্যেষ্ঠ পৰামৰ্শদাতা শ্ৰীমতী ইন্দিৰা জয়সিঙে ন্যায়াধীশ এম. এম. পুঞ্চী আৰু ন্যায়াধীশ কে. ভেংকটাস্বামীৰ দ্বাৰা গঠিত বিচাৰপীঠৰ আগত ০২-০৮-১৯৯৬ তাৰিখে যুক্তি প্ৰদৰ্শন কৰে আৰু বিদ্বান ন্যায়াধীশদ্বয়ে বিষয়টো পূৰ্বৰ সিদ্ধান্তৰ পুনৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰে। উক্ত বিচাৰপীঠৰ সদস্য আছিল সন্মানীয় ন্যায়াধীশ শ্ৰী হানচাৰিয়া, ফলস্বৰূপে, ১৯৯৬ চনৰ ৫ আগষ্টত মাননীয় ন্যায়াধীশ জি. এন. ৰায় আৰু

মাননীয় ন্যায়াধীশ হানচাৰিয়াৰে গঠিত পীঠৰ আগত বিষয়টো পুনৰ উত্থাপন কৰা হয়। তেওঁলোকে বিষয়টো উৰিষ্যা চৰকাৰ বনাম অদ্বন্ত চৰণ মোহান্তী আৰু অন্যান্য সংক্ৰান্তে পুনৰ বিবেচনাৰ বাবে পুনৰ আমালৈকে প্ৰেৰণ কৰিছে। (১৯৯৫ বিচাৰপীঠ (১) এছচিচি ৪৭০)। আমি ভাবিছিলো যে উৰিষ্যা চৰকাৰ বনাম অৰ্ণব কুমাৰ দত্ত [জে. টি. ১৯৯৬(২) এছ. চি. ৫১৫] ৰ ৰায় আৰু মোহান্তীৰ গোচৰৰ ৰায়ৰ মাজত সংঘাত আছিল। কিন্তু দুয়োটা ৰায় পুনৰীক্ষণ কৰাৰ লগে লগে আমি দেখা পালো যে দুয়োটা ৰায়ৰ মাজত কোনো মতবিৰোধ নাই। তদুপৰি, এ. কে. দত্তৰ গোচৰৰ ক্ষেত্ৰত বিচাৰপীঠে মোহান্তীৰ গোচৰত লোৱা সিদ্ধান্তক সমৰ্থন কৰিছিল। শ্ৰীমতী ইন্দিৰা জয়সিঙে যুক্তি আগবঢ়ায় যে চৰকাৰে বিভিন্ন শ্ৰেণীৰ ব্যক্তি, যেনে – ইলেক্ট্ৰিচিয়ান, প্লাম্বাৰ, মাষ্টাৰ, ফিটাৰ গ্ৰেড-২, ৰোলাৰ মেকানিক, মেকানিক, ৱায়াৰমেন আদিক ৬০ বছৰ বয়সত লাভ কৰিবলগীয়া সুবিধা লাভৰ যোগ্য দক্ষ শ্ৰমিক হিচাপে গণ্য কৰিছে। তেওঁ পৰামৰ্শ দিয়ে যে এই বিষয়টোৰ সন্দৰ্ভত মোহান্তীৰ গোচৰৰ ৰায়টো বিবেচনা কৰিব লাগে। বিদ্বান অধিবক্তাই উপস্থাপন কৰা যুক্তিৰ সৈতে আমি একমত নহয়। আমি উৰিষ্যা ৰাজ্যত প্ৰযোজ্য সকলো সেৱা নিয়ম, লগতে সময়ৰ লগে লগে চৰকাৰে জাৰি কৰা বিভিন্ন নিৰ্দেশনাসমূহ, বিধিৰ নিয়ম ৭১(ক)ৰ টোকাটোৰ সৈতে সংগতি ৰাখি ভালদৰে পৰীক্ষা কৰিছো।

আমি ৬০ বছৰ বয়সত অৱসৰ লবৰ বাবে যোগ্য কেইবাজনো ব্যক্তিক শ্ৰেণীভুক্ত কৰিছো। তৃতীয় শ্ৰেণী আৰু তাৰ ওপৰৰ শ্ৰেণীত অন্তৰ্ভুক্ত কিছুমান কৰ্মচাৰীৰ দক্ষতা বা উষ্চ পৰ্যায়ৰ দক্ষতা থাকিব পাৰে যদিও ৬০ বছৰ বয়সত তেওঁলোকে অৱসৰৰ বাবে পাবলগীয়া সুবিধাৰ সৈতে অৱসৰ পোৱাৰ অধিকাৰী নহয়। তেওঁলোকে ৫৮ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰিব লগা হৈছিল আনহাতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল, কেৱল দক্ষ, আংশিক-দক্ষ

বা অত্যন্ত দক্ষ কৰ্মচাৰীসকল ৬০ বছৰত অৱসৰ লাভৰ যোগ্য। সেই ফালৰ পৰা আমি এই মত পোষণ কৰোঁ যে মোহান্তীৰ গোচৰৰ ৰায়টোত পুনৰীক্ষণৰ প্ৰয়োজন নাই।

সেই অনুসৰি বিশেষ অনুমতি আবেদনখন নাকচ কৰা হয়।

*অনুবাদঃ দিতিমণি গগৈ*
*স্পেচিয়েল অফিচাৰ*
*অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"*